**গৌহাটি উচ্চ ন্যায়ালয়**

**(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)**

**গোচৰ নং : লেখ আবেদন (দেৱানী)/৩০৩৪/২০২১**

কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য ৩ জন

ভাৰত চৰকাৰৰ সচিব, বিত্ত মন্ত্ৰালয়, ৰাজহ বিভাগ, নৰ্থ ব্লক, নতুন দিল্লী- ১১০০০১ৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে।

২.কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ,

অধ্যক্ষৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে

ৰাজহ বিভাগ

নৰ্থ ব্লক

নতুন দিল্লী-১১০০০১

৩.সদস্য (পি আৰু ভি)

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ

ৰাজহ বিভাগ

নৰ্থ ব্লক

নতুন দিল্লী-১১০০০১

৪.মুখ্য আয়ুক্ত, আয়কৰ বিভাগ, উত্তৰ-পূব অঞ্চল

গুৱাহাটী

প্ৰথম মহলা

আয়কৰ ভৱন

গুৱাহাটী-৭৮১০০

বনাম

চঞ্চল নাগ

পিতা- প্ৰয়াত স্বদেশ ৰঞ্জন নাগ, যুটীয়া আয়ুক্ত,আয়কৰ বিভাগ, গ্ৰুপ এ চাৰ্ভিচ ৰেঞ্জ ৩, গুৱাহাটী

আবেদনকাৰীৰ হৈ অধিবক্তাঃ শ্ৰীযুত এছ.চি কেয়াল, চি জি চি

প্ৰতিবাদী পক্ষৰ হৈ অধিবক্তাঃ ড০.জি জে শৰ্মা, ড০ জে এল চৰকাৰ

মাননীয় মুখ্য ন্যায়াধীশ

মাননীয় ন্যায়াধীশ শ্ৰীযুত সৌমিত্ৰ শইকীয়া

<u>ৰায় আৰু আদেশ</u>

(ভাষিক)

তাৰিখঃ২৭-৩-২০২৩

<u>সন্দীপ মেহতা, মুখ্য ন্যায়াধীশ</u>

কেন্দ্ৰীয় চৰকাৰ আৰু ইয়াৰ বিভিন্ন বিভাগসমূহে এই লেখ আবেদনখন কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ(চিএটি),গুৱাহাটী বিচাৰপীঠে(ইয়াৰ পিছত "ন্যায়াধিকৰণ" বুলি কোৱা হ'ব)পুনৰীক্ষণ আবেদন নং ৪০/০০০০৯/২০১৯ খাৰিজ কৰা আদেশক প্ৰত্যাহ্বান জনাই দাখিল কৰিছিল যিখন পুনৰীক্ষণ আবেদন আবেদনকাৰীয়ে মূল আবেদন নং ৪০/০০০৬৩/২০১৭ৰ পুনৰ নিৰীক্ষণৰ বাবে দাখিল কৰিছিল আৰু লগতে আবেদনকাৰীয়ে বিবিধ আবেদন নং ১৪৯/২০১৯ দাখিল কৰিছিল যাৰ জৰিয়তে পুনৰীক্ষণ আবেদনখন দাখিল কৰাত ৭৬৮ দিনৰ পলম হোৱাৰ বাবে ক্ষমা বিচাৰিছিল।

২.কেন্দ্ৰীয় চৰকাৰক প্ৰতিনিধিত্ব কৰা বিজ্ঞ অধিবক্তা শ্ৰীযুত এছ চি কেয়ালে দৃঢ়তাৰে আৰু ব্যগ্ৰতাৰে যুক্তি দাঙি ধৰিছিল যে ন্যায়াধিকৰণৰ ওচৰত কোনো ক্ষমতা নাই বুলি যুক্তি দাঙি ধৰি পুনৰীক্ষণ আবেদনখন দাখিল কৰাত পলম হোৱাৰ বাবে দাখিল কৰা আবেদনখন নাকচ কৰাৰ ক্ষেত্ৰত ন্যায়াধিকৰণ সম্পূৰ্ণৰূপে অযুক্তিকৰ আছিল। তেওঁ **২০০২ এছ চি চি অনলাইন চিএ এল ৫৯৭**ত প্ৰতিবেদিত **কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য বনাম কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ আৰু আনসকল** গোচৰটোৰ ক্ষেত্ৰত কলিকতা উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে প্ৰদান কৰা ৰায়ৰ ওপৰত নিৰ্ভৰ কৰিছিল **যি ৰায় মানু/ডব্লিউ.বি ২৬২২/২০১৯**ত প্ৰতিবেদিত **কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য বনাম ৰাম কৃষ্ণ মণ্ডল আৰু অন্যান্য** শীৰ্ষক গোচৰত কলিকতা ন্যায়ালয়ে পুনৰ নিশ্চিত কৰিছিল।তেওঁ যুক্তি দাঙি ধৰিছিল যে কলিকতা উচ্চ ন্যায়ালয়ৰ পূৰ্ণ

বিচাৰপীঠে প্ৰশাসনিক ন্যায়াধিকৰণ আইন, ১৯৮৫ (ইয়াৰ পিছত "১৯৮৫ চনৰ আইন" বুলি উল্লেখ কৰা হৈছে) আৰু কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ (প্ৰক্ৰিয়া) নীতি, ১৯৮৭ (ইয়াৰ পিছত "১৯৮৭ ৰ নীতি" বুলি উল্লেখ কৰা হৈছে)ৰ বিধিবদ্ধ ব্যৱস্হাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি দ্ব্যৰ্থহীন ভাৱে মত পোষণ কৰিছে যে ১৯৮৭ চনৰ ১৭নং নীতিত সন্নিবিষ্ট সীমাবদ্ধতাৰ স্বত্বেও পুনৰীক্ষণ আবেদন দাখিল কৰাত হোৱা বিলম্বক মাৰ্জনা কৰাৰ বাবে সীমাবদ্ধতা আইন, ১৯৬৩ ৰ ৫ নং ধাৰাৰ অধীনত ন্যায়াধিকৰণৰ ক্ষমতা আছে। এনেদৰে তেওঁ বিবাদিত আদেশটো বাতিল কৰি ন্যায়ালয়ক লেখ আবেদন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছিল, আৰু বিলম্ব মাৰ্জনা কৰি যোগ্যতাৰ ভিত্তিত পুনৰীক্ষণৰ আবেদনখন বিবেচনা কৰিবলৈ ন্যায়াধিকৰণক নিৰ্দেশ দিছিল।

৩.ইয়াৰ বিপৰীতে,প্ৰতিবাদী পক্ষক প্ৰতিনিধিত্ব কৰা ড০ জি. জে.শৰ্মাই দৃঢ়তাৰে আৰু ব্যগ্ৰতাৰে শ্ৰীযুত কেয়ালৰ দ্বাৰা আগবঢ়োৱা যুক্তিসমূহৰ বিৰোধিতা কৰিছিল। ড০ শৰ্মাই **(১৯৯৭)৬ এছ চি চি ৪৭৩** ত প্ৰতিবেদিত **কে. অজিত বাবু আৰু অন্যান্য বনাম কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য** গোচৰৰ ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ ওপৰত নিৰ্ভৰশীলতা আৰোপ কৰিছিল,য'ত মহামান্য উচ্চতম ন্যায়ালয়ে নিম্নলিখিত ধৰণে মত পোষণ কৰিছিলঃ

"৪. পূৰ্বে কোৱাৰ দৰে আবেদনকাৰীয়ে ১৯৮৬ চনৰ ১৪-৮-১৯৮৭ তাৰিখৰ বদলিকৰণ আবেদন নং ২৬৩ত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ, আহমেদাবাদে দিয়া সিদ্ধান্তৰ ভিত্তিত প্ৰস্তুত কৰা বিবাদিত জ্যেষ্ঠতাৰ তালিকাখনক ১৯নং ধাৰাৰ অধীনত আবেদনৰ জৰিয়তে প্ৰত্যাহ্বান জনাইছে, য'ত প্ৰশাসনিক ন্যায়াধিকৰণৰ ১৪-৮-১৯৮৭ তাৰিখৰ ৰায়দান বাতিল কৰাৰ বাবে কোনো প্ৰাৰ্থনা জনোৱা নাছিল। এইটো সঁচা যে ১৯৮৬ চনৰ বদলিকৰণ আবেদন নং ২৬৩ত আহমেদাবাদৰ কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণে প্ৰদান কৰা ৰায়টো আপীলকাৰীৰ সপক্ষে আহিলহেঁতেন। প্ৰায়ে চাকৰি সংক্ৰান্তীয় গোচৰৰ ক্ষেত্ৰত ন্যায়াধিকৰণ বা আদালতে দিয়া ৰায়দানে আন ব্যক্তিকো যিসকল গোচৰৰ পক্ষ নহয় তেওঁলোককো প্ৰভাৱিত কৰে।এনে পৰিস্হিতিত,আদালত বা ন্যায়াধিকৰণৰ ৰায় কঠোৰভাৱে কেৱল গোচৰৰ পক্ষসমূহক প্ৰভাৱিত কৰা ব্যক্তিগত ৰায় নহ'বও পাৰে, সেই ৰায় সমূহে বিষয়টোকো প্ৰভাৱিত কৰিব। এনে পৰিস্থিতিত প্ৰশ্ন

উত্থাপিত হয়: এনে প্ৰভাৱিত ব্যক্তিসকলৰ বাবে কি প্ৰতিকাৰ উপলব্ধ যি কোনো গোচৰৰ পক্ষ নহয়, তথাপিও এনে ক্ষেত্ৰত লোৱা সিদ্ধান্তই জ্যেষ্ঠতাৰ ক্ষেত্ৰত তেওঁলোকৰ অধিকাৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। বৰ্তমানৰ গোচৰটোত, ন্যায়াধিকৰণৰ মত হ'ল প্ৰভাৱিত ব্যক্তিসকলৰ বাবে উপলব্ধ একমাত্ৰ প্ৰতিকাৰ হৈছে তেওঁলোকক প্ৰভাৱিত কৰা ৰায়ৰ বিপক্ষে আইনখনৰ ১৯নং ধাৰাৰ অধীনত নতুন আবেদন দাখিল নকৰাকৈ পুনৰীক্ষণৰ আবেদন দাখিল কৰা। আইনখনৰ ২২(৩)(চ)নং ধাৰায়ে ন্যায়াধিকৰণক ইয়াৰ সিদ্ধান্তবোৰ পুনৰীক্ষণ কৰাৰ ক্ষমতা প্ৰদান কৰে। **কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণৰ (প্ৰক্ৰিয়া) নীতিসমূহৰ ১৭নং নীতিত (ইয়াত "নীতি" বুলি কোৱা হৈছে) উল্লেখ কৰা হৈছে যে পুনৰীক্ষণ কৰিবলগীয়া আদেশটোৰ প্ৰতিলিপি লাভ কৰাৰ ৩০ দিনৰ ভিতৰত দাখিল নকৰিলে পুনৰীক্ষণৰ বাবে কোনো আবেদন গ্ৰহণ কৰা নহ'ব**। সাধাৰণতে, পৰ্যালোচনাৰ অধিকাৰ কেৱল তেওঁলোকৰ বাবেহে উপলব্ধ হয় যিসকল এই গোচৰৰ এটা পক্ষ হয়। অৱশ্যে, যদিও আমি আইনখনৰ ২২নং ধাৰাৰ "এজন ব্যক্তি ক্ষুব্ধ হোৱা" অভিব্যক্তিটোক বহল অৰ্থ প্ৰদান কৰোঁ, তথাপি এনে ব্যক্তিয়ে সম্পূৰ্ণ গোচৰটোৰ পুনৰীক্ষণ বিচাৰিব পাৰিবনে সেইটো ন্যায়াধিকৰণে সিদ্ধান্ত ল'ব লাগিব। পৰ্যালোচনাৰ অধিকাৰ আপীলৰ অধিকাৰ নহয় য'ত ৰায় প্ৰদান কৰা সকলো বিষয়ৰে প্ৰত্যাহ্বান জনাব পাৰি। পৰ্যালোচনাৰ অধিকাৰটো কিছুমান সীমিত ক্ষেত্ৰতহে সম্ভৱপৰ হয় যিটো দেৱানী কাৰ্যবিধি আইনৰ ৪৭ নং আদেশটোত উল্লেখ কৰা আছে। যদিও নিৰ্দিষ্টকৈ ক'বলৈ গ'লে দেৱানী কাৰ্যবিধি আইনৰ ৪৭নং আদেশটো ন্যায়াধিকৰণৰ বাবে প্ৰযোজ্য নহ'ব পাৰে কিন্তু ইয়াত সন্নিবিষ্ট নীতিবোৰ নিশ্চিতভাৱে সম্প্ৰসাৰিত কৰিব লাগিব। অন্যথা পৰ্যালোচনাৰ ওপৰত কোনো সীমাবদ্ধতা নাথাকিলে এইয়া আপীলৰ দৰে হ'ব আৰু কোনো এটা ৰায় চূড়ান্ত হোৱাৰ ক্ষেত্ৰত কোনো নিশ্চয়তা নাথাকিব। **ইয়াৰোপৰি, পুনৰীক্ষণ কৰাৰ অধিকাৰটো তেতিয়াহে উপলব্ধ হ'ব যদি এনে কোনো আবেদন সীমাবদ্ধতাৰ সময়সীমাৰ ভিতৰত দাখিল কৰে**। ন্যায়াধিকৰণৰ ৰায়ৰ বিপৰীতে পুনৰীক্ষণ অথবা আপীল নকৰিলে সেই ৰায় চূড়ান্ত হ'ব। যদি এনে কোনো পুনৰীক্ষণ কাৰ্যক অনুমতি প্ৰদান কৰা হয়, তেনে ক্ষেত্ৰত কোনো ৰায় চূড়ান্ত ন'হব, কিয়নো উক্ত ৰায়ৰ দ্বাৰা বেয়াকৈ প্ৰভাৱিত হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ লগত জড়িত পক্ষই যি কোনো সময়তে সেই ৰায়ৰ পুনৰীক্ষণ কৰিব পাৰিব। যিটো পক্ষৰ সপক্ষে ৰায় প্ৰদান কৰা হয়, সেই পক্ষটোৱে পৰৱৰ্তী সকলো সময়তে গোচৰটো

নিৰীক্ষণ কৰিব নোৱাৰে। ৰাজহুৱা নীতিয়ে দাবী কৰে যে আইনী ব্যৱস্হাত মোকৰ্দমা বন্ধ হ'ব লাগে আৰু যদি ন্যায়াধিকৰণৰ দৃষ্টিভংগী স্বীকাৰ কৰা হয় তেন্তে এটা গোচৰৰ প্ৰক্ৰিয়া কেতিয়াও সমাপ্ত নহ'ব। সেয়েহে আমি ক'ব পাৰো যে পুনৰীক্ষণৰ অধিকাৰটো দেৱানী কাৰ্যবিধি আইনৰ ৪৭নং আদেশত উল্লেখ কৰা সীমিত পৰিস্হিতিত সকলো ক্ষোভিত ব্যক্তিৰ বাবে উপলব্ধ হ'ব যদিহে সীমাবদ্ধতাৰ সময়সীমাৰ ভিতৰত এনে আবেদন দাখিল কৰে।"

(বাখ্যা দাঙি ধৰা হৈছে)

ড০ শৰ্মাই এই যুক্তিৰ সমৰ্থনত **(১৯৮৫) ৩ এছ চি চি ৫৯০**ত প্ৰতিবেদিত **চাকুৰু বনাম তানাজী** গোচৰটোৰ ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ ওপৰতো নিৰ্ভৰশীলতা আৰোপ কৰিছিল, য'ত যুক্তি দাঙি ধৰা হৈছিল যে ১৯৬৩ চনৰ সীমাবদ্ধতা আইনৰ ব্যৱস্থাবোৰ কেৱল আদালতৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰযোজ্য হয় আৰু আদালতৰ বাহিৰে আন কোনো সংস্থাত যেনে অৰ্ধ-ন্যায়িক ন্যায়াধিকৰণত আবেদন দাখিলৰ বাবে বা আপীল কৰিবৰ বাবে প্ৰযোজ্য নহয়। ড০ শৰ্মাই **(২০১৭) ১৬ এছ চি চি ১৩৭** ত প্ৰতিবেদিত **ভাৰতীয় আন্তৰ্জাতিক সম্পদ পুনৰ্নিৰ্মাণ কোম্পানী লিমিটেড বনাম এল্ড্ৰিচ ফাৰ্মাচিউটিকেলছ লিমিটেডৰ অফিচিয়েল লিকুইডেটৰ আৰু অন্যান্যৰ** ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ ওপৰতো ড০ শৰ্মাই আস্হা ৰাখিছিল য'ত মহামান্য উচ্চতম ন্যায়ালয়ে তলত দিয়া মত পোষণ কৰিছিল:

৯."এইটো সত্য যে ন্যায়াধিকৰণক দেৱানী প্ৰক্ৰিয়া সংহিতাৰ অধীনত দেৱানী আদালত হিচাপে কিছুমান ক্ষমতা প্ৰদান কৰা হ'ব পাৰে, কিন্তু সাক্ষীক চমন জাৰি কৰা আৰু উপস্থিত কৰোৱা, নথি-পত্ৰ উদ্ধাৰ আৰু দাখিল কৰা, শপতনামাত সাক্ষ্য লাভ কৰা, সাক্ষী বা নথি-পত্ৰ পৰীক্ষাৰ বাবে আয়োগ গঠন কৰা আদি, ইয়াৰ সিদ্ধান্তসমূহ পৰ্যালোচনা কৰা আদিয়ে ইয়াক আদালতৰ মৰ্যাদা প্ৰদান নকৰে। ২২নং(১)নং ধাৰাত অৱশ্যে উল্লেখ কৰা হৈছে যে দেৱানী কাৰ্যবিধি আইনৰ অধীনত সন্নিৱিষ্ট প্ৰক্ৰিয়াসমূহৰ দ্বাৰা সীমাৱদ্ধ নহয় আৰু ই ন্যায়ৰ লগত সংগতি ৰাখি ইয়াৰ নিজৰ গোচৰ প্ৰক্ৰিয়াসমূহ ব্যৱহাৰ কৰিব পাৰে।

১০.সীমাবদ্ধতা আইনৰ ৫ নং ধাৰা অনুসৰি দেৱানী কাৰ্যবিধি আইনৰ ২১নং আদেশক বাদ দি আপীল বা আবেদন নিৰ্দিষ্ট সময়সীমা পাৰ হৈ যোৱাৰ পিছতো গ্ৰহণ কৰিব পাৰি যদিহে আবেদনকাৰীয়ে ন্যায়ালয়ক পতিয়ন নিয়াব পাৰে যে আবেদনখন নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত দাখিল নকৰাৰ বহুতো কাৰণ আছে। গতিকে পূৰ্বচৰ্ত হ'ল আদালতৰ সন্মুখত চলি থকা গোচৰৰ বিচাৰ। আইনখনৰ অধীনত চলি থকা গোচৰ বিধিগত ন্যায়াধিকৰণৰ সন্মুখত হোৱাৰ বাবে ইয়াক ন্যায়ালয়ৰ আগত বিচাৰাধীন হৈ থকা গোচৰৰ সমতুল্য কৰিব নোৱাৰি। সেয়েহে ন্যায়াধিকৰণৰ বিলম্ব মাৰ্জনা কৰাৰ কোনো ক্ষমতা নাথাকিব, যদিহে ইয়াক সৃষ্টি কৰা বিধিখনে স্পষ্টভাৱে এই ক্ষমতা প্ৰদান নকৰে।"

(বাখ্যা দাঙি ধৰা হৈছে)

ন্যায়াধিকৰণৰ বিলম্ব মাৰ্জনা কৰাৰ কোনো ক্ষমতা নাথাকিব বুলি দাঙি ধৰা যুক্তিৰ সমৰ্থন কৰি ড০ শৰ্মাই **(১৯৮৯) ৪ এছ চি চি ৫৮২**ত প্ৰতিবেদিত **এছ এছ ৰাথোৰ বনাম মধ্য প্ৰদেশ চৰকাৰ** শীৰ্ষক গোচৰটোত মহামান্য উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ ওপৰত আস্থা ৰাখিছিল, য'ত মহামান্য উচ্চতম ন্যায়ালয়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে ১৯৮৫ চনৰ আইনখনে দেৱানী আদালতৰ ক্ষেত্ৰাধিকাৰ কাঢ়ি লৈ গৈছে আৰু সেয়েহে চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰত, বিশেষ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি ৫৮ নং অনুচ্ছেদটো আবেদনযোগ্য নহ'বও পাৰে।

ড০ শৰ্মাই যুক্তি দৰ্শাইছিল যে যিহেতু ন্যায়াধিকৰণ আদালত নহয়, ১৯৬৩ চনৰ সীমাবদ্ধতা আইনৰ ৫নং ধাৰাৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা ই প্ৰয়োগ কৰিব নোৱাৰে আৰু সেয়েহে, ন্যায়াধিকৰণে আবেদনকাৰীয়ে বিলম্ব মাৰ্জনাৰ বাবে দাখিল কৰা আবেদন নাকচ কৰাটো সম্পূৰ্ণৰূপে ন্যায়সঙ্গত আছিল কিয়নো ১৯৮৭ চনৰ নিয়মাৱলীৰ ১৭ নং নিয়মত প্ৰদান কৰা অনুমোদিত সময়সীমাৰ বিপৰীতে মুঠ ৭৬৮ দিনৰ পলম হোৱাৰ পিছত সেইখন দাখিল কৰা হৈছিল।

৪.ড০ শৰ্মাৰ দ্বিতীয়টো যুক্তি আছিল যে এই লেখ আবেদনখন গ্ৰহণযোগ্য নহয় কিয়নো ন্যায়াধিকৰণে মূল আবেদন নং ৪০/০০০৬৩/২০১৭ ত ০৪.০৮.২০১৭ তাৰিখৰ

আদেশৰ জৰিয়তে মূল আবেদনখন গ্ৰহণ কৰি প্ৰদান কৰা মূল আদেশটো এই লেখ আবেদনত প্ৰত্যাহ্বান জনোৱা হোৱা নাই। এই ক্ষেত্ৰত, তেওঁ বৰ্তমানৰ লেখ আবেদনখনত জনোৱা প্ৰাৰ্থনাৰ প্ৰতি এই ন্যায়ালয়ৰ মনোযোগ আকৰ্ষণ কৰি যুক্তি দাঙি ধৰে যে আবেদনকাৰীৰ মূল প্ৰাৰ্থনাটো হৈছে পুনৰীক্ষণৰ আবেদনখন দাখিল কৰাত হোৱা বিলম্ব মাৰ্জনাৰ বাবে দাখিল কৰা বিবিধ আবেদন নং ১৪৯/২০১৯ত ০৮.০৬.২০২০ত প্ৰদান কৰা আদেশক প্ৰত্যাহ্বান জনোৱা। এইদৰে তেওঁ যুক্তি দাঙি ধৰিছে যে ০৪.০৮.২০১৭ৰ মূল আদেশটো এই লেখ আবেদনত প্ৰত্যাহ্বান জনোৱা নাই, আৰু ই চূড়ান্ত হৈ পৰিছে। সেয়েহে, আবেদনকাৰীসকল এই আদেশ মানি লোৱাটো এটা বিধিসন্মত দায়বদ্ধতা।

এই যুক্তিক সমৰ্থন কৰি ড০ শৰ্মাই মহামান্য উচ্চতম ন্যায়ালয়ৰ তলৰ ৰায়টোৰ ওপৰত আস্হা ৰাখিছেঃ

**(২০১২)৬ এছ চি চি ৭৮২**ত প্ৰতিবেদিত **ডি.এছ.আৰ. ষ্টীল (ব্যক্তিগত) লিমিটেড বনাম ৰাজস্থান চৰকাৰ** আৰু **(২০১৬)৪ এছ চি চি ৬৯৬**ত প্ৰতিবেদিত **বুচচা অভাৰচিজ এণ্ড প্ৰপাৰ্টিজ প্ৰাইভেট লিমিটেড আৰু আনসকল বনাম কেন্দ্ৰীয় চৰকাৰ আৰু আনসকল**।

৫.ন্যায়ালয়ত আগবঢ়োৱা যুক্তিসমূহ আমি শুনিলো, বিবাদিত ৰায়টো পুনৰীক্ষণ কৰিলো আৰু ন্যায়ালয়ত দাঙি ধৰা পূৰ্বৰ গোচৰসমূহৰ প্ৰসংগ ও বিবেচনা কৰিছো।

৬. কেন্দ্ৰীয় চৰকাৰক প্ৰতিনিধিত্ব কৰা বিজ্ঞ ন্যায়াধীশ শ্ৰীযুত কেয়েলে যুক্তি দৰ্শোৱা অনুসৰি বিবাদিত ৰায়ক প্ৰত্যাহ্বান জনোৱা মূল ভিত্তিটো কলিকতা উচ্চ ন্যায়ালয়ৰ দুটা ৰায়ৰ ওপৰত প্ৰতিষ্ঠিত। এইটো কোৱাটো উচিত হ'ব যে কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য বনাম কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ গোচৰটোত (পূৰ্বে উল্লেখিত) প্ৰথম পূৰ্ণ বিচাৰপীঠে প্ৰদান কৰা ৰায়টোত কে অজিত বাবু (পূৰ্বে উল্লেখিত) আৰু এছ.এছ ৰাথোৰ (পূৰ্বে উল্লেখিত) গোচৰটো বিবেচনা কৰা নাছিল। যিহেতু এছ.এছ ৰাথোৰ গোচৰটোত (পূৰ্বে উল্লেখিত) মহামান্য উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক পীঠে স্পষ্টভাৱে উল্লেখ কৰিছে যে ১৯৮৫ চনৰ প্ৰশাসনিক ন্যায়াধিকৰণ আইনৰ দ্বাৰা দেৱানী আদালতৰ ক্ষেত্ৰাধিকাৰ কাঢ়ি লোৱা হৈছে আৰু ইয়াৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য

বনাম কেন্দ্রীয় প্ৰশাসনিক ন্যায়াধিকৰণ (পূৰ্বে উল্লেখিত) গোচৰটোত কলিকতা উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা বিপৰীত দৃষ্টিভংগীটো আইনৰ এটা সঠিক বাখ্যা হিচাপে মানি ল'ব নোৱাৰি।

৭.১৯৮৭ চনৰ ১৭নং নীতিত বাখ্যা আগবঢ়োৱা হৈছে যে পুনৰীক্ষণ কৰিব লগীয়া আদেশৰ প্ৰতিলিপি লাভ কৰাৰ ৩০ দিনৰ ভিতৰত দাখিল নকৰিলে এখন পুনৰীক্ষণৰ আবেদন গ্ৰহণ কৰা ন'হব। ৩০ দিনৰ এই সীমাবদ্ধতা বাধ্যতামূলক নহয় আৰু ১৯৬৩চনৰ সীমাবদ্ধতা আইনৰ ধাৰাসমূহৰ আশ্ৰয় লৈ ইয়াক সম্প্ৰসাৰিত কৰিব পাৰি বুলি মত পোষণ কৰি কলিকতা উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে প্ৰকৃততে বিধিবদ্ধ ব্যৱস্হাক ক্ষেত্ৰাধিকাৰৰ বাহিৰত বুলি মত পোষণ কৰে। প্ৰশাসনিক ন্যায়াধিকৰণ আইন, ১৯৮৫ হৈছে এক বিশেষ আইন।১৯৮৫ চনৰ আইনৰ ধাৰাত মূল আৱেদন দাখিল কৰাৰ ক্ষেত্ৰত সীমাবদ্ধতা নিৰ্ধাৰণ কৰা হৈছে, যিটোৰ সময়সীমা হৈছে এক বছৰ। মূল আৱেদন গ্ৰহণৰ কৰাৰ ক্ষেত্ৰত ছয় মাহৰ তলৰ সময়ৰ বিলম্ব মাৰ্জনা কৰাৰ ক্ষমতা ২১নং ধাৰাৰ উপধাৰা(৩) অধীনত ন্যায়াধিকৰণৰ হাতত ন্যস্ত কৰা হৈছে।

৮.ওপৰত উল্লেখ কৰা অনুসৰি, ১৯৮৭ চনৰ নিয়মাৱলীৰ ১৭নং নীতি অনুসৰি এখন পুনৰীক্ষণৰ আবেদন দাখিল কৰাৰ সময়সীমা হৈছে ৩০ দিন। সেয়েহে, ১৯৮৫ৰ অধিনিয়মত সীমাবদ্ধতা তথা বিলম্ব মাৰ্জনাৰ প্ৰসংগত নিৰ্দিষ্ট ব্যৱস্হা নিৰ্ধাৰণ কৰা হৈছে।**সেয়েহে, ১৯৮৫ চনৰ অধিনিয়মৰ অধীনৰ গোচৰসমূহ সীমাবদ্ধতা আইনৰ ব্যৱস্হাসমূহৰ দ্বাৰা পৰিচালিত কৰিব নোৱাৰি।**এই মতামত আৰু অধিক সুদৃঢ় হয় যেতিয়া আমি **আন্তঃৰাষ্ট্ৰীয় সম্পদ** (উপৰোক্ত) আৰু **ছাকুৰু** (উপৰোক্ত)শীৰ্ষক গোচৰত ড০ শৰ্মাই নিৰ্ভৰ কৰা ৰায়দানক বিবেচনা কৰোঁ, য'ত এইটো নিৰ্ধাৰণ কৰা হৈছে যে বিধিগত ন্যায়াধিকৰণৰ সন্মুখত আদালতৰ সমান্তৰালকৈ গোচৰ দাখিল কৰিব নোৱাৰি। ন্যায়াধিকৰণৰ বিলম্ব মাৰ্জনা কৰাৰ কোনো ক্ষমতা নাথাকিব যদিহে ইয়াক সৃষ্টি কৰা আইনৰ দ্বাৰা স্পষ্টভাৱে ক্ষমতা প্ৰদান কৰা নহয়। যিহেতু ১৯৮৭ চনৰ নিয়মাৱলীৰ ১৭ নং নীতিয়ে পৰ্যালোচনাৰ আবেদন গ্ৰহণৰ বাবে ৩০ দিনৰ সময়সীমা স্পষ্টভাৱে প্ৰদান কৰিছে,যদিহে বিধিবদ্ধ বিধানটোক ক্ষেত্ৰাধিকাৰৰ বাহিৰত বুলি ঘোষণা

কৰা নহয়, তেন্তে এনে অধিকাৰক ন্যায়িক ঘোষণাৰ দ্বাৰা বিধিত অন্তৰ্ভুক্ত বুলি ধৰিব নোৱাৰি।

৯. সেয়েহে, আমি এই মত প্ৰদান কৰাত কোনো সংকোচ নকৰো যে ন্যায়াধিকৰণে এই মত পোষণ কৰাটো যুক্তিসংগত আছিল যে ইয়াৰ বিলম্ব মাৰ্জনা কৰাৰ আৰু ৩০ দিনৰ পিছত পৰ্যালোচনাৰ আবেদন গ্ৰহণ কৰাৰ কোনো ক্ষমতা নাই। সেয়েহে, ০৮.০৬.২০২০ তাৰিখৰ বিবাদিত আদেশৰ দ্বাৰা পুনৰীক্ষণৰ আবেদনখন দাখিল কৰাত ৭৬৮ দিনৰ অধিক তথা অগ্ৰহণীয় বিলম্বৰ বাবে মাৰ্জনা বিচাৰি আবেদনকাৰীয়ে দাখিল কৰা বিবিধ আবেদন নং ১৪৯-২০১৯খন প্ৰত্যাখ্যান কৰাটোৱে ভাৰতীয় সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ দ্বাৰা ন্যায়ালয়ক প্ৰদান কৰা অতিৰিক্ত লেখ ক্ষেত্ৰাধিকাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত কোনোধৰণৰ হস্তক্ষেপ নকৰে। যিহেতু আমি এই বিষয়টোত প্ৰতিবাদী পক্ষৰ সপক্ষে এই ৰায় প্ৰদান কৰিছো, ড০ শৰ্মাই আগবঢ়োৱা দ্বিতীয়টো যুক্তি বিবেচনাৰ বাবে ৰখা হ'ল।

১০.ওপৰত আগবঢ়োৱা আলোচনাৰ ওপৰত ভিত্তি কৰি, এই লেখ আবেদনখন যোগ্যতাৰ অভাৱত খাৰিজ কৰা হ'ল।

কোনো খৰচ বহন কৰা নহয়।

ন্যায়াধীশ মুখ্য ন্যায়াধীশ

তুলনাকাৰী সহায়ক

অনুবাদকঃ জাহ্নৱী গগৈ

(কনিষ্ঠ অনুবাদক)

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”